## পাঠ-১
# আমাৰ পৰিৱেশ

জীয়াই থাকিবলৈ জীৱক এটা উপযুক্ত প্ৰাকৃতিক পৰিৱেশৰ প্ৰয়োজন। এটা উপযুক্ত পৰিৱেশতহে জীৱৰ সৃষ্টি, বৃদ্ধি আৰু বিকাশ ঘটিব পাৰে। সৌৰজগতৰ গ্ৰহবিলাকৰ ভিতৰত আমাৰ পৃথিৱীতহে এনে পৰিৱেশ বিৰাজমান। সেয়েহে পৃথিৱীত বিভিন্ন জীৱই বাস কৰিবলৈ সক্ষম হৈছে।

প্ৰাকৃতিক পৰিৱেশৰ উপাদানবোৰক দুটা ভাগত ভগাব পাৰি—

(ক) জৈৱিক উপাদান (খ) অজৈৱিক উপাদান

কোনো এটা অঞ্চলত বাস কৰা মানুহকে ধৰি সকলো উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, কীট-পতংগ, অণুজীৱ আদি জৈৱিক উপাদান আৰু বায়ু, পানী, মাটি আদি অজৈৱিক উপাদানেৰে সেই অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশ গঢ়ি তোলে। জৈৱিক উপাদানবোৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে অজৈৱিক উপাদানৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।

**বায়ু, পানী, মাটি, নৈ, জান-জুৰি, পৰ্বত-পাহাৰ আদি হৈছে পৰিৱেশৰ একো একোটা অজৈৱিক উপাদান। আনহাতে উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, কীট-পতংগ, অণুজীৱ আদি হৈছে পৰিৱেশৰ জৈৱিক উপাদান।**

কোনো ঠাইৰ প্ৰাকৃতিক পৰিৱেশৰ উপাদান বুলিলে জৈৱিক আৰু অজৈৱিক উপাদানকে বুজায়। আমাৰ চৌপাশে থকা এই জৈৱিক আৰু অজৈৱিক উপাদানসমূহে প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি কৰে। 'জলাহভূমি' বা 'আৰ্দ্ৰভূমি' হৈছে প্ৰাকৃতিক পৰিৱেশৰ এক উত্তম উদাহৰণ। কিয়নো পানী আৰু মাটি এই দুই প্ৰধান উপাদানেৰে ইয়াৰ পৰিৱেশ গঢ়ি উঠে। এই উপাদান দুটা থাকে বাবেই জলাহ ভূমি বিভিন্ন ধৰণৰ উদ্ভিদ, প্ৰাণী আৰু অণুজীৱৰ আৱাসভূমি।



জলাহভূমি

উদাহৰণস্বৰূপে- পানীত ওপঙি থকা পুণী, মেটেকা আৰু পানী যুৰলিত গজা নল-খাগৰি, ইকৰা, তৰা, দলঘাঁহ, কলমৌ, বিভিন্ন ধৰণৰ কচু, ঢেঁকীয়া, বিহলঙনী ইত্যাদি জলাহভূমিত হোৱা উদ্ভিদ। জলাহভূমি আৰু কাষৰীয়া অঞ্চলত নানা ধৰণৰ ভেকুলী, সাপ, শামুক, পোক-পতংগ, পানী মকৰা, কেকোঁৰা আদি প্ৰাণী থাকে। ইয়াত বহুতো অণুজীৱও থাকে। ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত থকা ডাঙৰ ডাঙৰ গছবোৰত বগলী, হাড়গিলা, বৰটোকোলা, কণামুচৰি, পানী কাউৰী, মাছৰোকা, চিলনী আদি চৰাই থাকে। খাদ্যৰ বাবে জলাহভূমিৰ প্ৰাণীবোৰে পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰে।

**সাধাৰণতে সাময়িকভাৱে বা স্থায়ীভাৱে জলমগ্ন হৈ থকা মাটি ভাগেই হ'ল জলাহভূমি।**



**উত্তৰ লিখা —**

- জলাহভূমিত পোৱা কেইবিধমান উদ্ভিদ আৰু প্ৰাণীৰ নাম।
- জলাহত পোৱা দুটা অজৈৱিক উপাদানৰ নাম।
- জলাহৰ ওচৰে পাজৰে থকা দুবিধ চৰাইৰ নাম।

**উদ্ভিদ, প্ৰাণী আৰু অণুজীৱ আমাৰ পৰিৱেশৰ জৈৱিক উপাদান।**



**উদ্ভিদ :** উদ্ভিদ হ'ল প্ৰাকৃতিক পৰিৱেশৰ মুখ্য উপাদান। প্ৰকৃতিত কেৱল উদ্ভিদেহে নিজৰ খাদ্য প্ৰস্তুত কৰিব পাৰে। উদ্ভিদে প্ৰস্তুত কৰা অতিৰিক্ত খাদ্য শিপা, গা-গছ, ফল, কাণ্ড আদিত জমা কৰি ৰাখে। মানুহৰ দৰে সকলোবোৰ জীৱ খাদ্যৰ বাবে উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল। তোমালোকে সচৰাচৰ দেখি থকা বৃক্ষ, গুল্ম, লতা আৰু তৃণজাতীয় উদ্ভিদৰ বাহিৰেও আমাৰ চৌপাশে আৰু কিছুমান উদ্ভিদ আছে। সেইবোৰ হ'ল— শেলাই, ভেঁকুৰ, মচ আৰু ঢেঁকীয়াজাতীয় উদ্ভিদ। পুখুৰী, নিজৰা আদিত জেলিৰ নিচিনা সেউজীয়া আৱৰণ এটা ওপঙি থকা দেখা যায়। এইবোৰ হ'ল **শেলাই**। সেউজীয়া হোৱা বাবে ইহঁতে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব পাৰে। পচা কাঠ, গোবৰ আদিত বেংছতাৰ দৰে **ভেঁকুৰ** জাতীয় উদ্ভিদ গজা দেখা যায়। ইহঁত পাতল হালধীয়া, বগা বা মুগা বৰণৰ। পত্ৰহৰিৎ নথকা বাবে ইহঁতে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব নোৱাৰে। ইহঁতে আহাৰৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰে। শেলাই আৰু ভেঁকুৰৰ শিপা, কাণ্ড আৰু পাত নাথাকে। শিল, ডাঙৰ গছ, সেমেকা মাটি আদিত সেউজীয়া দলিচাৰ নিচিনা এটা আৱৰণ দেখিছানে? এইবোৰ হ'ল **মচ**। ইহঁতৰ পাত আছে আৰু গা-গছ চেপেটা। মাটিত খামুচি ধৰিবলৈ ইহঁতৰ কিছুমান চুলিৰ নিচিনা অংশ থাকে। সেমেকা ঠাইত গজা আন একপ্ৰকাৰৰ উদ্ভিদ হ'ল **ঢেঁকীয়া**। ইহঁতৰ মূল, কাণ্ড আৰু পাত থাকে।



শেলাই ভেঁকুৰ মচ ঢেঁকীয়া

সকলো পৰিৱেশত একেধৰণৰ উদ্ভিদ পোৱা নাযায়। ভিন ভিন পৰিৱেশৰ উদ্ভিদ ভিন ভিন হয়।

- তোমালোকৰ অঞ্চলত পোৱা বিভিন্ন ধৰণৰ উদ্ভিদৰ নাম লিখি এখন তালিকা প্ৰস্তুত কৰা।

**প্ৰাণী ঃ** পৰিৱেশৰ আন এবিধ গুৰুত্বপূৰ্ণ উপাদান হ'ল প্ৰাণী। ভিন ভিন পৰিৱেশ ভিন ভিন প্ৰাণীৰ বসবাসৰ উপযোগী। মৰুভূমি অঞ্চলত দিনত প্ৰচণ্ড গৰম আৰু ৰাতি হ'লে বালিবোৰ চেঁচা হৈ প্ৰচণ্ড ঠাণ্ডা পৰে। ইয়াত পানীৰ বৰ অভাৱ। মৰুভূমিৰ প্ৰধান প্ৰাণী হ'ল **উট**। ইয়াৰ উপৰি হৰিণা, সাপ, মকৰা আদিও মৰুভূমিত থাকে। উটৰ দেহৰ গঠন মৰুভূমিৰ পৰিৱেশত খাপ খাব পৰাকৈ গঠিত। অৰ্থাৎ ইহঁতে মৰুভূমিৰ প্ৰচণ্ড গৰম আৰু পানীৰ অভাৱ সহ্য কৰিব পাৰে। এই অঞ্চলৰ প্ৰাণীৰ গাৰ ছাল ডাঠ আৰু নোমাল। ইয়াৰ ফলত বাহিৰৰ তাপ সহজে শৰীৰৰ ভিতৰলৈ সোমাব নোৱাৰে।


উট


ছীল


বগা ভালুক

মেৰু অঞ্চল অতিশয় শীতল আৰু বৰফেৰে ভৰা। এনে শীতল পৰিৱেশতো কিছুমান প্ৰাণী জীয়াই থাকে। ইয়াৰ ভিতৰত প্ৰধান হ'ল **বগা ভালুক**। ইহঁতৰ দীঘল আৰু ঘন নোমেৰে ঢকা গাৰ ছালখনে ইহঁতক জাৰৰ পৰা ৰক্ষা কৰে। ইহঁতে মাছ, ছীল আদি খাই জীয়াই থাকে।


পেংগুইন

এই অঞ্চলৰ আন এবিধ প্ৰাণী হ'ল **পেংগুইন**। ইহঁত বৰফত থকা চৰাই। ইয়াৰ দীঘলীয়া ডিম্বাকৃতিৰ গাটো সৰু সৰু পাখিৰে আবৃত। ডেউকা দুখন সৰু হোৱা বাবে পেংগুইনে উৰিব নোৱাৰে। কিন্তু ইহঁতে সাঁতুৰিব আৰু খোজকাঢ়িব পাৰে। সাগৰত থকা সৰু মাছ ইহঁতৰ খাদ্য।


য়াক

অতি শীতল দেশত পোৱা আৰু এবিধ প্ৰাণী হ'ল **বল্গা হৰিণ**। এইবিধ হৰিণ সাত ফুট পৰ্যন্ত ওখ হয়। ইহঁতৰ দীঘল আৰু শাখা-প্ৰশাখাযুক্ত শিং থাকে। এই অঞ্চলৰ আন এবিধ প্ৰাণী হ'ল **য়াক**। ইয়াৰ দেহটো দীঘল নোমেৰে আবৃত।


বল্গা হৰিণ

তৃণভূমি অঞ্চলত হাতী, গঁড়, হৰিণা, জেব্ৰা, জিৰাফ আদি তৃণভোজী প্ৰাণী জাকপাতি থাকে। এইবোৰ অঞ্চলত বাঘ, সিংহ আদি মাংসভোজী প্ৰাণীও থাকে। অসমৰ অৰণ্যত হাতী, গঁড়, হৰিণা, বাঘ, ভালুক আদি প্ৰাণী পোৱা যায়। সিংহৰ গাৰ ৰং ধূসৰ হোৱা বাবে সহজে শুকান ঘাঁহনিৰ মাজত লুকাই থাকি চিকাৰ ধৰিব পাৰে। বিভিন্ন পৰিৱেশত খাপ খাব পৰাকৈ ভিন ভিন পৰিৱেশৰ প্ৰাণীৰ শৰীৰৰ গঠন ভিন ভিন হয়। পৰিৱেশ অনুযায়ী প্ৰাণীয়ে নিজৰ নিজৰ খাদ্য বিচাৰি লয়।











➤ বিভিন্ন পৰিৱেশৰ প্ৰাণীৰ ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা (শিক্ষকৰ সহায়ত)।

**অণুজীৱ :** বেক্টেৰিয়া, ভাইৰাছ আদি জীৱ ইমানেই ক্ষুদ্ৰ যে খালী চকুৰে ইহঁতক দেখা পোৱা নাযায়। এইবোৰক অণুবীক্ষণ যন্ত্ৰৰ সহায়তহে দেখা যায়। সেয়েহে ইহঁতক অণুজীৱ বোলে। ইহঁত বায়ু, পানী, মাটি সকলোতে থাকে। কিছুমান বেক্টেৰিয়াই মৃত উদ্ভিদ বা প্ৰাণীৰ পচন ঘটাই পচন সাৰ তৈয়াৰ কৰে।





**বায়ু, মাটি, পানী, সূৰ্যৰ পোহৰ আদি আমাৰ পৰিবেশৰ অজৈৱিক উপাদান।**

**পানী :** পানী বা জলভাগ হ'ল পৰিবেশৰ এবিধ অতি প্ৰয়োজনীয় অজৈৱিক উপাদান। পৃথিৱীৰ মুঠ পানীৰ বেছিভাগেই হৈছে সাগৰ আৰু মহাসাগৰৰ। ইয়াৰ উপৰি বৰষুণ, হ্ৰদ, খাল-বিল, পুখুৰী, নদ-নদী, জান-জুৰি, ভূ-গৰ্ভৰ পানী আদি হ'ল পানীৰ একো একোটা উৎস। পানীৰ অবিহনে কোনো জীৱ জীয়াই থাকিব নোৱাৰে। বৰষুণৰ অভাৱত কোনো এটা অঞ্চলত যেনেদৰে খৰাং পৰিবেশৰ সৃষ্টি হয়, ঠিক তেনেদৰে অত্যাধিক বৰষুণৰ ফলত বানপানীৰ সৃষ্টি হ'ব পাৰে।





**মাটি :** মাটি পৰিবেশৰ এক অপৰিহাৰ্য উপাদান। সকলো ঠাইৰে মাটিৰ গুণাগুণ একে নহয়। কিছুমান মাটি উৰ্বৰ আৰু কিছুমান অনুৰ্বৰ। মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি বিভিন্ন খেতি কৰা হয়। উদ্ভিদ আৰু প্ৰাণীৰ বাবে মাটি অপৰিহাৰ্য। মাটিৰ পৰা উদ্ভিদে প্ৰয়োজনীয় পানী আৰু খনিজ লৱণ গ্ৰহণ কৰে।

**বায়ু :** আমাৰ চাৰিওফালে বায়ুয়ে আৱৰি আছে। বায়ু থকাৰ বাবে আমাৰ পৃথিৱীখন উদ্ভিদ, প্ৰাণী আৰু মানুহৰ বসবাসৰ উপযোগী হৈছে, সেয়েহে বায়ু হ'ল পৰিবেশৰ এটা গুৰুত্বপূৰ্ণ উপাদান। বায়ু কেইবাবিধো গেছৰ সমষ্টি। বায়ুত নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড থকাৰ উপৰি জলীয় বাষ্প আৰু আন আন গেছ কম পৰিমাণে থাকে।

**পোহৰ :** পোহৰ পৰিবেশৰ আন এটা অজৈৱিক উপাদান। উদ্ভিদে খাদ্য প্ৰস্তুত কৰোঁতে ব্যৱহাৰ কৰা এটা মুখ্য উপাদান হ'ল সূৰ্যৰ পোহৰ। এই সূৰ্যৰ পোহৰক শক্তি হিচাপে ব্যৱহাৰ কৰা হয় যাক আমি সৌৰশক্তি বুলি কওঁ। সৌৰশক্তিক কয়লা, খাৰুৱা তেল, খৰি আদিৰ বিকল্প ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি।



➢ পানী, মাটি আৰু বায়ু আমাৰ কি কি কামত লাগে দলত আলোচনা কৰি প্ৰত্যেকৰে দুটাকৈ কাম উল্লেখ কৰা।

আমি বুজিলোঁ যে বায়ু, পানী, মাটি, উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকতি আদি উপাদানসমূহে প্ৰাকৃতিক পৰিবেশ সৃষ্টি কৰে। জীৱ শ্ৰেষ্ঠ মানুহে অতীতৰ পৰা পৰিবেশৰ বিভিন্ন উপাদান ব্যৱহাৰ কৰি নিজৰ প্ৰয়োজন পূৰাই আহিছে। উদাহৰণস্বৰূপে— ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, দলং, উদ্যান, উদ্যোগ, কীৰ্তিচিহ্ন আদি প্ৰকৃতিৰ পৰা পোৱা উপাদানবোৰৰ পৰাই মানুহে নিৰ্মাণ কৰি লয়। এইবোৰেই হৈছে **মানৱসৃষ্ট পৰিবেশ**।



**মানৱসৃষ্ট পৰিবেশৰ বিভিন্ন সামগ্ৰীসমূহ প্ৰাকৃতিক পৰিবেশৰ উপাদানবোৰৰ পৰাই তৈয়াৰ কৰা হয়। উদাহৰণস্বৰূপে ৰাস্তা-ঘাট সাজিবলৈ প্ৰয়োজন হোৱা শিল, বালি, আলকতৰা আদি প্ৰকৃতিৰ একো একোটা উপাদান। মানুহৰ এই কাৰ্যৰ ফলত এফালে মানৱসৃষ্ট পৰিবেশৰ উন্নতি হৈছে যদিও আনফালে প্ৰাকৃতিক উপাদানসমূহৰ অত্যাধিক ব্যৱহাৰৰ বাবে এইবোৰ কমি আহি এক সংকটৰ সৃষ্টি কৰিছে।**

ইয়াৰ উপৰি মানুহে বসতি কৰা সকলোবোৰ অঞ্চলৰে একো একোটা সুকীয়া পৰিবেশ আছে। একোখন দেশত নানা জাতি-ধৰ্মৰ লোক থকাৰ লগতে সমাজ বিশেষে সকলোৰে কিছুমান উমৈহতীয়া নীতি-নিয়ম আৰু আইন মানি চলে। জাতি-ধৰ্ম, ভাষা, শিক্ষা, ৰীতি-নীতি, সাহিত্য, শিল্পকলা আদিয়েই একো একোটা অঞ্চলৰ সংস্কৃতিৰ পৰিচায়ক। ইয়ে সমাজ-সাংস্কৃতিক পৰিবেশৰ সৃষ্টি কৰে। মানুহে সৃষ্টি কৰা গাঁও, নগৰবোৰেই একো একোটা অঞ্চলৰ মানৱসৃষ্ট পৰিবেশৰ উদাহৰণ।



**প্ৰাকৃতিক পৰিবেশ**




**মানৱসৃষ্ট পৰিবেশ**

➢ ওপৰৰ ছবি দুখন ভালদৰে পৰ্যবেক্ষণ কৰি প্ৰাকৃতিক পৰিবেশ আৰু মানৱসৃষ্ট পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছা লিখা।

আমি বাস কৰা সমাজখনত কিছুমান মানৱসৃষ্ট প্ৰাচীন কীৰ্তিচিহ্ন, দৌল-দেৱালয়, মঠ-মন্দিৰ, গীৰ্জা, মছজিদ আদি আছে। এই সকলোবোৰে আমাৰ সভ্যতা আৰু সংস্কৃতিৰ পৰিচয় দিয়ে।

**অসমৰ কোন কোন ঠাইত কি কি কীৰ্তিচিহ্ন আছে তাৰে কিছুমান জানি লওঁ আহা—**


ৰংঘৰ


অগ্নিগড়


সূৰ্য পাহাৰ

গোৱালপাৰাৰ সূৰ্যপাহাৰ, তেজপুৰৰ অগ্নিগড়, ডিমা হাছাও জিলাৰ মাইবং আৰু কাছাৰৰ খাচপুৰত কছাৰীসকলৰ কীৰ্তিচিহ্ন আছে। শিৱসাগৰ জিলাত ৰংঘৰ, তলাতল ঘৰ, কাৰেং ঘৰ আৰু চৰাইদেউৰ মৈদাম আছে। কামৰূপ জিলাত মদন-কামদেৱ, চণ্ডিকা মন্দিৰ, মেৰ ঘৰ আদি আছে। এইবোৰ আমাৰ দেশৰ ঐতিহ্যৰ প্ৰতীক।


মদন কামদেৱ


মাইবঙৰ শিলৰ মন্দিৰ


খাচপুৰৰ স্মৃতিসৌধ


কাৰেং ঘৰ

- পুৰণি কীৰ্তিচিহ্নৰ বিভিন্ন ছবিসমূহ সংগ্ৰহ কৰি এলবাম নাইবা প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰা।

**শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি —**

- নিজৰ জিলা/অঞ্চলত থকা পুৰণি কীৰ্তিচিহ্নসমূহ ছাত্ৰ-ছাত্ৰীক দেখুওৱাবলৈ ক্ষেত্ৰ ভ্ৰমণৰ আয়োজন কৰিব।




উমানন্দ


আজানপীৰৰ দৰগাহ


পোৱামক্কা


শিৱ দৌল

অসমৰ ঠায়ে ঠায়ে বিভিন্ন দৌল, দেৱালয়, সত্ৰ, মঠ-মন্দিৰ, মছজিদ আদি আছে। এইবোৰ হ'ল কামৰূপৰ নৱগ্ৰহ, কামাখ্যা, উমানন্দ, পোৱামক্কা, হয়গ্ৰীৱ-মাধৱ মন্দিৰ আদি। শিৱসাগৰ জিলাৰ শিৱদৌল, জয়দৌল ইত্যাদি। যোৰহাট জিলাৰ মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু কমলাবাৰী সত্ৰ। ধুবুৰীৰ টেগবাহাদুৰ গুৰুদ্বাৰ, পাণবাৰীৰ মিৰজুমলাৰ মছজিদ, দিখৌমুখৰ আজানপীৰৰ দৰগাহ আৰু কাছাৰৰ ভুৱন পাহাৰৰ মন্দিৰ আদি আছে। এইবোৰো আমাৰ ঐতিহ্যৰ প্ৰতীক।


টেগবাহাদুৰ গুৰুদ্বাৰ


মিৰজুমলাৰ মছজিদ


হয়গ্ৰীৱ-মাধৱ মন্দিৰ


ভুৱন পাহাৰৰ মন্দিৰ


কামাখ্যা মন্দিৰ


আউনীআটি সত্ৰ


কমলাবাৰী সত্ৰ

আমাৰ ৰাজ্যৰ পুৰণি কীৰ্তিচিহ্ন মঠ-মন্দিৰ, দৰগাহ আদিয়ে আমাৰ অতীতৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰিছে। এইসমূহৰ বিষয়ে আমি সকলোৱে জনা উচিত। সেয়েহে এইবোৰৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ দায়িত্ব আমাৰ সকলোৰে। তোমালোকে এতিয়াৰ পৰাই এই বিষয়ে সজাগ হ'বা আৰু সম্ভৱ হ'লে এই পুৰণি কীৰ্তিচিহ্নবোৰ চাবলৈ যাবা।

(ক) পৰিৱেশৰ জৈৱিক উপাদান কেইটাৰ নাম কি কি?

(খ) পেংগুইন চৰাইৰ গাৰ গঠন কেনেকুৱা?

(গ) শিৱসাগৰ জিলাত থকা পুৰণি কীৰ্তিচিহ্ন দুটাৰ নাম লিখা।

(ঘ) পৰিৱেশৰ অজৈৱিক উপাদানসমূহ কি কি?

(ঙ) মানৱসৃষ্ট পৰিৱেশ বুলিলে কি বুজা?

(চ) অসমত থকা দুটা মন্দিৰ, দুটা দৌল আৰু দুখন সত্ৰৰ নাম লিখা।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| তেজপুৰ | ভুৱন পাহাৰৰ মন্দিৰ |
| কামৰূপ | টেগবাহাদুৰৰ গুৰুদ্বাৰ |
| গোৱালপাৰা | অগ্নিগড় |
| ধুবুৰী | পোৱামক্কা |
| কাছাৰ | সূৰ্য পাহাৰ |

৩। খালী ঠাই পূৰ কৰা —

(ক) মৰুভূমিৰ প্ৰাণীৰ ছাল _________ আৰু _________ ।

(খ) বগা ভালুক _________ অঞ্চলত থাকে।

(গ) তৃণভূমি অঞ্চলত _________ পোৱা যায়।

(ঘ) পানবাৰীৰ _________ মছজিদ ঐতিহ্যৰ প্ৰতীক।

৪। তলৰ উক্তিসমূহ শুদ্ধ কৰি লিখা —

(ক) বগা ভালুক/হৰিণা/জেব্ৰা মেৰু অঞ্চলৰ প্ৰাণী।

(খ) ছীল/বল্গা হৰিণ/য়াকৰ দীঘল আৰু শাখা-প্ৰশাখাযুক্ত শিং থাকে।

(গ) জিৰাফ/সিংহ/বাঘৰ গাৰ ৰং ধূসৰ।

৫। চমুটোকা লিখা— জলাহভূমি, অণুজীৱ।